# দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান

## গুৱাহাটী বিশ্ববিদ্যালয়

## গৃহপঞ্জী

**দ্বিতীয় ষাণ্মাসিক**

**অসমীয়াৰ স্নাতকোত্তৰ, ২০১৩-২০১৪**

**নিৰ্দেশাৱলী ঃ**

*১) বিদ্যাৰ্থীসকলৰ নাম, শৈক্ষিক বৰ্ষ, ৰোল নং আৰু শিৰোনাম (প্ৰশ্নৰ) ওপৰৰ পৃষ্ঠাত স্পষ্টকৈ উল্লেখ কৰিব লাগিব।*

*২) প্ৰতিখন কাকতৰ বাবে দুটাকৈ প্ৰশ্ন থাকিব আৰু প্ৰতিটো প্ৰশ্নোত্তৰ ৫০০ শব্দৰ ভিতৰত হ'ব লাগিব। অতিৰিক্ত শব্দ সংখ্যাৰ বাবে ঋণাত্মক মূল্যায়ণ হ'ব।*

*৩) প্ৰতিটো প্ৰশ্নোত্তৰৰ বাবে মূল্যাংক থাকিব ৮। মুঠ মূল্যাংক ১৬ (৮ x ২)।*

*৪) বিদ্যাৰ্থীসকলে প্ৰশ্নোত্তৰসমূহ পৰিস্কাৰ হাতৰ আখৰেৰে **A4** আকৃতিৰ কাগজৰ এপিঠিত লিখি জমা দিব লাগিব। লিখোতে প্ৰতিটো পৃষ্ঠাৰে চাৰিওফালে এক ইঞ্চিকৈ খালি ঠাই এৰিব লাগিব।*

*৫) মূদ্ৰক যন্ত্ৰৰ সহায়ত লিখা প্ৰশ্নোত্তৰৰ মূল্যায়ন কৰা নহ'ব।*

*৬) ব্যৱসায়িক ভিত্তিত বিক্ৰী কৰা প্ৰশ্নোত্তৰ জমা দিয়াটো অনৈতিক কাৰ্য হিচাপে গণ্য কৰা হ'ব।*

*৭) গৃহপঞ্জীসমূহ ২০১৪ ইংৰাজী বৰ্ষৰ **মে' মাহৰ ৫ তাৰিখ অথবা তাৰ আগতে** জমা দিব লাগিব।*

---

**আটাইবোৰ প্ৰশ্নই বাধ্যতামূলক। প্ৰতিটো প্ৰশ্নৰ মূল্যাংক ৮**

**(পাঠ্যবিষয় ২.১)**

১। আধুনিক অসমীয়া সাহিত্য নিৰ্মাণত লক্ষ্মীনাথ বেজবৰুৱাৰ ভূমিকা সম্পৰ্কে এটি চমু প্ৰবন্ধ লিখক।

২। সাম্প্ৰতিক কালৰ অসমীয়া সাহিত্যৰ পৰিপুষ্টিৰ বাবে আলোচনীসমূহে কেনেকুৱা ভূমিকা পালন কৰিছে, সেই সম্পৰ্কে এটি পৰ্যালোচনা আগবঢ়াওক।

**(পাঠ্যবিষয় ২.২)**

১। জ্যোতিপ্ৰসাদ আগৰৱালাই মধ্যযুগীয় অৰ্থাৎ আহোম যুগৰ পটভূমিত তেনেদৰে 'কাৰেঙৰ লিগিৰী' নাটখনিৰ কাহিনীভাগ গঢ়ি তুলিছে আলোচনা কৰক।

২। 'মহাৰাজা' নাটখনৰ পৰিৱেশন ৰীতিয়ে সফলতাৰ দাবী কৰিব পাৰেনে? ফঁহিয়াই দেখুৱাওক।

**(পাঠ্যবিষয় ২.৩)**

১। কবিতাত প্ৰতীক আৰু চিত্ৰকল্পৰ প্ৰয়োগ আৰু ভূমিকা সম্পৰ্কে নিজস্ব দৃষ্টিভঙ্গীৰে আলোচনা আগবঢ়াওক।

২। উপন্যাসৰ গতিশীল চৰিত্ৰ মানে কি? এই শ্ৰেণীৰ চৰিত্ৰই উপন্যাসৰ কাহিনীভাগ আগবঢ়াই নিয়াত কেনেদৰে ভূমিকা পালন কৰে, বুজাই লিখক।

**(পাঠ্যবিষয় ২.৪)**

১। আধুনিকতাবাদী সাহিত্যৰ লক্ষণ বা বৈশিষ্ট্যসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

২। অস্তিত্ববাদৰ ঐতিহাসিক পটভূমি বিচাৰ কৰি ইয়াৰ স্বৰূপ নিৰ্ণয় কৰক।

**(পাঠ্যবিষয় ২.৫)**

১। ভাৰতীয় সাহিত্যত 'মহাভাৰত'ৰ প্ৰভাৱ সম্পৰ্কে চমুকৈ আলোচনা কৰক।

২। 'ৱাণোচ্ছিষ্টং জগতসৰ্বম্' —কথাষাৰিৰ তাৎপৰ্য ব্যাখ্যা কৰক।

———————